www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, OCTOBER 08, 2024 ■ মঙলবাৰ।। ২১ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৭৬ Guwahati, Assam ।। মূল্যঃ এটকা

## ড্ৰাগছৰ গোচৰত আবু বক্কৰক গ্ৰেপ্তাৰ

ই-সংবাদ, বেৰেজীয়া, ৭ অক্টোবৰঃ অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ নেতা আবু বক্কৰ ৫ পৃষ্ঠাত চাওক

## ‘নতুন পুৰুষ’ নয়নৰ মহানুভৱতা! ঘূৰাই দিলে ১ লাখ ২০ হাজাৰ

**ই-সংবাদ, ৭ অক্টোবৰঃ** এয়া এনে সময়, য'ত জনতাৰ ধন চুৰি কৰি উদৰ পূৰোৱা নেতা-মন্ত্ৰী আৰু বৰ বৰ লোকসকলেই মঞ্চত বিশিষ্ট ব্যক্তিৰ খিতাপ লাভ কৰি গামোচা পিন্ধিবলৈ পায়। এনে পৰিস্থিতিত, ৰাস্তাত দহ টকীয়া নোট এখনো হেৰাই পোৱা কোনো এজনে সেই টকা প্ৰকৃত মালিকক ঘূৰাই দিব বুলি কল্পনা কৰিব পাৰিনে? কিন্তু দহ-বিশ টকা বা এশ-দুশ টকা নহয়, নগদ এক লাখ বিশ হাজাৰ টকা বাটত হেৰাই পাইও সামাজিক মাধ্যমৰ জৰিয়তে সেই টকাৰ গৰাকীক বিচাৰি উলিয়াই টকাখিনি ওভতাই দিলে নৱ প্ৰজন্মৰ এজন যুৱকে। সামাজিক মাধ্যমত যুৱকজনৰ মহানুভৱতাই ইতিমধ্যে যথেষ্ট চৰ্চা লাভ কৰিছে। টকা দেখিও লোভৰ বলি নহৈ নিজৰ সততাৰ পৰিচয় দিয়া যুৱকজনক শেষাংশ ৪ পৃষ্ঠাত



ভাল ল'ৰা নয়ন, ঘূৰাই দিলে লক্ষাধিক ধন

## ২০২৬-ত নেতৃত্ব সলনিৰ দাবীৰে সৰ্বাপন্থী নেতাৰ ফেচবুক পোষ্ট


# ৰাজ্যিক বিজেপিত ক্ৰমাৎ আৰম্ভ সোণোৱাল শিবিৰৰ উত্থান



ই-সংবাদ, ৭ অক্টোবৰঃ ৰাজ্যিক বিজেপিত ক্ৰমাৎ স্পষ্ট হৈ পৰিছে বিভাজন। এফালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শিবিৰ আৰু আনফালে কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ শিবিৰ। কংগ্ৰেছৰ তৰুণ শেষাংশ ২ পৃষ্ঠাত

## চিকিৎসা বিজ্ঞানৰ নোবেল আমেৰিকাৰ ভিক্টৰ, ৰুভকুনলৈ

**ষ্টকহ'ম, ৭ অক্টোবৰঃ** ঘোষণা কৰা হৈছে ২০২৪ বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ নোবেল বঁটা। কোষত মাইক্ৰ' আৰ এন এ আৱিষ্কাৰ আৰু জিনৰ শেষাংশ ৩ পৃষ্ঠাত



ভিক্টৰ আৰু ৰুভকুন

## এয়াৰ শ্ব'ৰ মাজতে ঘটিল বৃহৎ অঘটন

### ৫ নিহত, আহত ২০০

**চেন্নাই, ৭ অক্টোবৰঃ** ভাৰতীয় বায়ুসেনাৰ ৯২তম প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানৰ মাজতে সংঘটিত অঘটনে তামিলনাডুত বৃদ্ধি কৰিছে শেষাংশ ৪ পৃষ্ঠাত



গুৱাহাটী বিশ্ববিদ্যালয়ত এনেদৰে প্ৰতিবাদৰ সন্মুখীন নতুন উপাচাৰ্য

## ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদৰ অন্তত মাজনিশা সেও মানিলে উপাচাৰ্য ননীগোপালে

### অৱশেষত শান্ত গুৱাহাটী বিশ্ববিদ্যালয়

**ই-সংবাদ, ৭ অক্টোবৰঃ** ঐতিহাসিক গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ দায়িত্ব লৈয়ে ছাত্ৰ সমাজৰ ৰঙাচকু দেখিলে বিতৰ্কিত ননীগোপাল মহন্তই। ব্যাপক বিতৰ্কৰ অন্তত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ দায়িত্ব লোৱা ননীগোপাল মহন্তই ছাত্ৰ সমাজৰ গ্লানি সহিব লগা হৈছে। দেওবাৰে নিশা ননীগোপাল মহন্তৰ আবাস শেষাংশ ৫ পৃষ্ঠাত

## বহিৰাগত বিষয়ালৈ দৰদ

**ই-সংবাদ, ৭ অক্টোবৰঃ** পক্সʼ আইনৰ অধীনত গোচৰ ৰুজু হৈ থকা আৰক্ষী বিষয়াৰ প্ৰতি হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দৰদ বৃদ্ধিৰ অভিযোগ উঠিছে। মহিলা আৰক্ষীয়ে কিশোৰক যৌন উৎপীড়নৰ অভিযোগ অনাত পক্সʼ আইনৰ অধীনত গোচৰ চলি থকা আৰক্ষী বিষয়াক সংস্থাপন শেষাংশ ৩ পৃষ্ঠাত

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যিক বিজেপিত ক্ৰমাৎ আৰম্ভ

গগৈৰ কাৰ্যকালত চৰকাৰৰ সোঁৰে-বাঁৰে থাকি নোদোকা হৈ পৰা নেতাসকলে হিমন্ত বিশ্বৰ বিজেপি গমনৰ পিছতে এজন এজনকৈ বিজেপিত যোগ দিয়ে। কংগ্ৰেছ ত্যাগ কৰা তথা চৰকাৰ চলোৱাৰ একাধিক অভিজ্ঞতাৰে পুষ্ট এইসকল নেতাই বিজেপিলৈ আহিয়েই হিমন্ত বিশ্ব শৰ্মাক গেৰুৱা দলটোতো অধিক শক্তিশালী কৰি তোলে। দলবাগৰা নেতাৰ সমৰ্থনেৰে গেৰুৱা দলটোতো শক্তিশালী হৈ পৰা হিমন্তই ২০২১ৰ বিধানসভা নিৰ্বাচনত অনভিজ্ঞ সোণোৱাল শিবিৰক পৰাভূত কৰি অধিষ্ঠিত হয় মুখ্যমন্ত্ৰী পদত। ঈপ্সিত লক্ষ্যত উপনীত হোৱাৰ পিছতে হিমন্ত শিবিৰ পূৰ্বতকৈয়ো আৰু কেবাগুণে শক্তিশালী হৈ পৰাৰ বিপৰীতে সোণোৱাল শিবিৰ হৈ পৰে নিস্তেজ। হিমন্ত শিবিৰৰ ঈৰ্ষণীয় উত্থানৰ বিপৰীতে বিজেপিত পুৰণি নেতা-কৰ্মীসকলে পদে পদে বঞ্চিত হ'বলগীয়াত পৰে। বিশেষকৈ সোণোৱালপন্থী নেতাসকলে বিজেপিৰ চৰকাৰৰ দ্বিতীয় কাৰ্যকালত একপ্ৰকাৰ বিৰোধী পক্ষৰ দৰেই বঞ্চিত হৈ ৰোৱা পৰিলক্ষিত হয়। উপায়ন্তৰ হৈ কেবাজনো সোণোৱাল পন্থী নেতাই দল এৰি কংগ্ৰেছত যোগদান কৰিবলৈ বাধ্য হৈ পৰে। ইয়াৰে অন্যতম উদাহৰণ হৈছে নলবাৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক অশোক শৰ্মা। দিনদিয়েক পূৰ্বে বিজেপি ত্যাগ কৰি কংগ্ৰেছত যোগদান কৰিছে নলবাৰীৰ প্ৰাক্তন বিধায়কজনে। বহু সোণাৱালপন্থী নেতাই এতিয়া অস্তিত্বৰ সংকটত ভুগিছে। সোণাৱাল মুখ্যমন্ত্ৰী হৈ থকাৰ কালত ঋষিকেশ গোস্বামী আছিল মিডিয়া উপদেষ্টা। শান্তনু ভড়ালী আছিল আইনী উপদেষ্টা। মমিনুল আৱাল আছিল সংখ্যালঘু উন্নয়নৰ বৰ্ডৰ অধ্যক্ষ। লগতে সোণোৱালৰ অতি ঘনিষ্ঠ ৰূপম গোস্বামীৰ দৰে নেতাও সম্প্ৰতি অস্তিত্বহীন। পূৰ্বে সংবাদমাধ্যমত দপদপাই আছিল ৰূপম গোস্বামী, মমিনুল আৱালৰ দৰে নেতা। বিজেপিৰ কাৰ্যালয় সোণোৱালৰ ঘনিষ্ঠ নেতাৰ কব্জাত আছিল। আজি সেই কাৰ্যালয়ত সোণাৱালাৰ ঘনিষ্ঠ নেতাসকলৰ আহ-যাহ ক্ৰমে বন্ধ হৈছে বুলি এটা বিশেষ সূত্ৰই দাবী কৰিছে। এনেদৰে এতিয়া ২০২৬ৰ নিৰ্বাচনৰ পূৰ্বে নেতাসকলে বৰ্তমানে চৰকাৰত দপদপাই থকাসকলৰ বিৰুদ্ধে অসন্তুষ্ট হৈ পৰা দেখা গৈছে। সময়ে সময়ে দুই এজন নেতাই চৰকাৰ চলাই থকা বিজেপি নেতাসকলৰ বিৰুদ্ধে মুকলিকৈ বিষোদগাৰ প্ৰকাশ কৰিছে যদিও সৰ্বানন্দ সোণোৱালৰ ঘনিষ্ঠ মমিনুল আৱালৰ শেহতীয়া ফেচবুক পোষ্ট এটাই ব্যাপক চৰ্চা লাভ কৰিছে। সোমবাৰে এক ফেচবুক পোষ্টত মমিনুল আৱালে লিখিছে, 'সলনি নহলে কাম নহ'ব।' প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণাৱালৰ ঘনিষ্ঠ নেতাসকলে আওপকীয়াকৈ হ'লেও বাৰে বাৰে এনেধৰণে মন্তব্য কৰি অহা বিষয়টোৱে ৰাজনৈতিক মহলত ব্যাপক চৰ্চা লাভ কৰিছে। বিশেষকৈ আৱালে 'সলনি নহলে কাম নহ'ব' বুলি দিয়া পোষ্টে শাসকীয় দলটোৰ বহু ভিতৰুৱা কাহিনী একপ্ৰকাৰ স্পষ্ট কৰি তুলিছে। প্ৰকৃততে ২০২৬ চনত পুনৰাই তৃতীয় কাৰ্যকালৰ বাবে যদি বিজেপিয়ে অসমত চৰকাৰ গঠন কৰিবলৈ সক্ষম হয় তেন্তে সৰ্বানন্দ সোণোৱালে ৰাজ্যৰ ৰাজনীতিলৈ উভতি আহি মুখ্যমন্ত্ৰী হ'ব আৰু পূৰ্বৰ দৰে সোণোৱালপন্থীৰ হাতলৈ ক্ষমতা আহিব বুলি অধীৰ অপেক্ষাৰে ৰৈ আছে এইসকল নেতা। অৱশ্যে এইসকল নেতাৰ এনে আশাৰ বিপৰীতে আজি চামগুৰিত হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ প্ৰভাৱশালী মন্ত্ৰী পীয়ুষ হাজৰিকাই ২০২৬ত আকৌ বিজেপিৰে চৰকাৰ হ'ব আৰু হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী হ'ব বুলি দাবী কৰা দেখা গৈছে। এনেকৈ এতিয়া দিন যোৱাৰ লগে লগে ৰাজ্যিক বিজেপিত হিমন্ত বিশ্ব আৰু সৰ্বা শিবিৰৰ মাজত বিভাজন অধিক স্পষ্ট হৈ পৰিছে। গেৰুৱা দলটোৰ এই বিভাজনক মূলধন কৰি এতিয়া বিৰোধী ঐক্য মঞ্চৰ পৰা নাম সলাই অসম সন্মিলিত মৰ্চা, চমুকৈ অসম হৈ পৰা বিৰোধীয়ে সফলতা লাভ কৰিব পাৰিব নে লোকসভা নিৰ্বাচনৰ দৰে নিজেও বহুধা বিভক্ত হৈ পৰিব সেয়া লক্ষণীয় হ'ব।

# স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে উত্তাল শিৱসাগৰ

**ই-সংবাদ, শিৱসাগৰ, ৭ অক্টোবৰঃ** দহ জাতীয়-জনগোষ্ঠীয় ঐক্যবদ্ধ শক্তিয়ে আজি সাধাৰণ জনতাক বিদ্যুৎ সেৱাৰ নামত ঘৰে ঘৰে সংযোগ কৰা লুণ্ঠন-যন্ত্ৰ খ্যাত স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে শিৱসাগৰৰ ৰাজপথত সাব্যস্ত কৰে উত্তাল প্ৰতিবাদ। ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ লুণ্ঠনৰাজ চলাই অহা স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে সাধাৰণ জনতা, দল সংগঠনে ধাৰাবাহিক প্ৰতিবাদ চলাই অহাৰ পিছতো গা নলৰা বিদ্যুত বিভাগৰ বিৰুদ্ধে আজি শিৱসাগৰৰ দহটা জাতীয় আৰু জনগোষ্ঠীয় সংগঠনে শিৱসাগৰ নগৰৰ দলমুখ চাৰিআলিত এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। ৰাজপথত প্ৰতীকি স্মাৰ্ট মিটাৰ দাহেৰে ৰাজপথ উত্তাল কৰি তোলে। দহ সংগঠনৰ কেইবাশতাধিক প্ৰতিবাদকাৰীয়ে স্মাৰ্ট মিটাৰ বন্ধ কৰক, শক্তি মন্ত্ৰী নন্দিতা গাৰ্লোচা মুৰ্দাবাদ, বিজেপি চৰকাৰ হায় হায়, শীৰ্ষক কেইবাটাও চৰকাৰ বিৰোধী শ্লোগানেৰে ৰাজপথ উত্তাল কৰি তোলে। এই বিক্ষোভ কাৰ্যসূচীত অংশগ্ৰহণ কৰি অসম ছাত্ৰ যুৱ সন্মিলনৰ সভাপতি জিন্তু মেছে কয় যে, জাতি মাটি আৰু খিলঞ্জীয়া অসমীয়াৰ সুৰক্ষাৰ কথা কৈ ক্ষমতালৈ অহা বিজেপি চৰকাৰে অসমীয়া মানুহৰ তেজ শুহিবলৈ ঘৰে ঘৰে একোটা স্মাৰ্ট মিটাৰ লগাই দিছে। এনে সৰ্বনাশী স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে সমগ্ৰ ৰাজ্যজুৰি প্ৰতিবাদ অব্যাহত থকাৰ সময়ত চৰকাৰে স্মাৰ্ট মিটাৰৰ সপক্ষে উকালতি কৰি কমিচনৰ অংকৰ বাবে পুঁজিপতি গোষ্ঠীৰ পক্ষত থিয় দিয়াতো অতি গৰিহণাযোগ্য। যদি স্মাৰ্ট মিটাৰে জনসাধাৰণৰ কল্যাণ সাধন কৰিছে তেন্তে দেশৰ গৃহমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীৰ গৃহৰাজ্য গুজৰাটত কিয় ঘৰে ঘৰে স্মাৰ্ট মিটাৰৰ সংযোজন কৰা নাই বুলি জিন্তু মেছে প্ৰশ্ন কৰে। উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি মনিৰুল ইছলাম বড়াই কয় যে, বৰ্তমানৰ চৰকাৰখনে জনসাধাৰণৰ ওপৰত সৰ্বস্তৰতে লুণ্ঠন প্ৰক্ৰিয়া চলাইছে। অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী, শিশু খাদ্য, পশু খাদ্যৰ পৰা আৰম্ভ কৰি জীৱনদায়িনী প্ৰতিটো ঔষধৰ মূল্য তিনিগুণ বৃদ্ধিৰ পাছত এতিয়া স্মাৰ্ট মিটাৰৰ নামত জনসাধাৰণৰ পৰা দৈনিক ডকাইতি আৰম্ভ কৰিছে। বৃদ্ধ পেঞ্চনৰ নামত ২০০-৩০০ টকা আৰু অৰুণোদয়ৰ নামত ১০০০ টকা দিয়া চৰকাৰে স্মাৰ্ট মিটাৰ লগাই দৰিদ্ৰ জনগণৰ পৰা দুহেজাৰৰ পৰা তিনি হেজাৰ টকা লুটি নিছে। চৰকাৰৰ এনে লুণ্ঠনৰ বিৰুদ্ধে ৰাইজ আজি ৰাজপথলৈ ওলাই আহিছে বুলি বড়াই উল্লেখ কৰে। সংগ্ৰামী সেনাৰ কেন্দ্ৰীয় সভাপতি পংকজ খাউণ্ডে কয় যে, অত্যাধিক মূল্যবৃদ্ধিয়ে জনগণক কোঙা কৰা অৱস্থাত ভূতৰ ওপৰত দানহ পৰাৰ দৰে চৰকাৰে স্মাৰ্ট মিটাৰ লগাই চলোৱা লুণ্ঠন বন্ধ কৰিবই লাগিব। অদক্ষ অকৰ্মণ্য শক্তি মন্ত্ৰী নন্দিতা গাৰ্লোচাই চলিত মাহৰ ভিতৰত স্মাৰ্ট মিটাৰৰ পৰিৱৰ্তে পুৰণি মিটাৰ সংযোজিত নকৰিলে ৰাজ্যৰ প্ৰতিবাদী জনতাই বিদ্যুৎ বিভাগৰ কাৰ্যালয় তলা বন্ধ কৰি মিটাৰসমূহ খুলি ৰাজহুৱা স্থানত চৰকাৰলৈ উৎসৰ্গা কৰিব বুলি পঙ্কজ খাউণ্ডে মন্তব্য কৰে। অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সম্পাদক পৰশজ্যোতি দাসে কয় যে, কেৱল কোটি কোটি টকাৰ ঋণ লৈ ক্ষান্ত নোহোৱা অসম চৰকাৰে এতিয়া স্মাৰ্ট মিটাৰৰ জৰিয়তে জনসাধাৰণৰ মাজত শোষণ লুণ্ঠন চলাই গৈছে। ঋণৰ ওপৰত ঋণ লৈ অসম ধংস অভিযানৰ নেতৃত্ব লোৱা চৰকাৰে এনে শোষণ প্ৰক্ৰিয়া বন্ধ নকৰিলে অহা বিধানসভা নিৰ্বাচনত অসমৰ মেহনতি দৰিদ্ৰ জনগণে উচিত প্ৰত্যুত্তৰ দিব বুলি পৰশজ্যোতি দাসে মন্তব্য কৰে। সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সম্পাদক পাৰ্থ জ্যোতি বড়াই অসমীয়া জাতিৰ দুখ-যন্ত্ৰণা অনুভৱ নকৰা বিজেপি চৰকাৰখন সময় থাকোতেই সংযত নহলে অনাগত দিনত অসমৰ ৰাইজে তেওঁলোকক কেতিয়াও ক্ষমা নকৰে বুলি মন্তব্য কৰে। এই প্ৰতিবাদী কাৰ্যসূচীত সদৌ চুতীয়া জাতি সন্মিলন, সদৌ অসম কৈৱৰ্ত ছাত্ৰ সন্থা, সদৌ অসম মটক ছাত্ৰ সন্থা, বৃহত্তৰ অসমীয়া যুৱ মঞ্চ, অসম জাতীয়তাবাদী যুৱ পৰিষদকে ধৰি ১০ টা জাতীয় আৰু জনগোষ্ঠীয় সংগঠনৰ নেতৃত্বত অংশগ্ৰহণ কৰে। ইয়াৰ পিছতেই প্ৰতিবাদকাৰীসকলে বিশাল আৰক্ষী বাহিনীৰ বাধা উফৰাই দলমুখ চাৰিআলিৰ মাজমজিয়াত প্ৰতীকি স্মাৰ্ট মিটাৰ দাহ কৰে।

# চিকিৎসা বিজ্ঞানৰ নোবেল

■ প্ৰথম পৃষ্ঠাৰ পৰা...

প'ষ্ট-ট্ৰান্সিপচনেল নিয়ন্ত্ৰণত ইয়াৰ ভূমিকাৰ বাবে ২০২৪ বৰ্ষৰ নোবেল বঁটা লাভ কৰিছে বিজ্ঞানী ভিক্টৰ এম্বৰ'জ আৰু গেৰী ৰুভকুনে। উল্লেখ্য যে, সোমবাৰে ছুইডেনৰ নোবেল এছেম্বিল্ল এট কেৰ'লিনস্কা ইনষ্টিটিউটে চিকিৎসা বিজ্ঞানৰ বাবে ঘোষণা কৰে এই দুই আমেৰিকান বিজ্ঞানীৰ নাম। মন কৰিবলগীয়া যে, পোলেণ্ডত জন্মগ্ৰহণ কৰা জৈৱ ৰসায়নবিদ ভিক্টৰ এম্বৰ'জ মেছাচুচেটছ ইনষ্টিটিউট অৱ টেকন'লজিৰ পৰা গ্ৰহণ কৰিছিল শিক্ষা। ইফালে জেনেটিক্স গেৰী ৰুভকুন হৈছে মেছাচুচেটছ জেনেৰেল হস্পিতালৰ বায়'চিমিলাৰ গৱেষক আৰু বষ্টনৰ হাৰ্ভাৰ্ড মেডিকেল স্কুলৰ জেনেটিক্সৰ অধ্যাপক। উল্লেখ্য যে, জৈৱ ৰসায়ন বিজ্ঞানত এমআৰএনএ নামেৰে বেছি পৰিচিত মাইক্ৰ' আৰ এন এ (ৰাইব'নিউক্লিক এচিড) ক্ৰম'জমৰ ভিতৰৰ এক অতি সৰু উপাদান। এই উপাদানটোৱেই জিন 'সক্ৰিয়কৰণ' আৰু ট্ৰান্সক্ৰিপচনেলৰ পিছৰ প্ৰক্ৰিয়াৰ নিয়ন্ত্ৰণৰ মূল চাবিকাঠি। মধুমেহ ৰোগৰ পৰা আৰম্ভ কৰি কেন্সাৰলৈকে মানৱ শৰীৰৰ বিভিন্ন ৰোগৰ বাবে জিন প্ৰত্যক্ষ বা পৰোক্ষভাৱে দায়ী হয়। সেই জিনৰ কাৰ্য্যকলাপ নিয়ন্ত্ৰণৰ আঁৰত থাকে এটা বা ততোধিক এমআৰএনএ। দৰাচলতে এমআৰএনএয়ে নিজৰ সংকেত পৰিবহণ ব্যৱস্থাৰ জৰিয়তে আমাৰ শৰীৰৰ কোষৰ পৰা কোষলৈ সংকেত কঢ়িয়াই নিবলৈ সক্ষম। যদিও ইয়াৰ উপস্থিতি ইতিমধ্যে জনা গৈছিল, তথাপিও এমআৰএনএৰ চৰিত্ৰ আৰু গতিবিধিৰ বিষয়ে বিজ্ঞানীসকল এতিয়ালৈকে অজ্ঞাত আছিল। এই ৰহস্য উন্মোচন কৰাত মাৰ্কিন বিজ্ঞানীদ্বয় ভিক্টৰ এম্বৰজ আৰু গেৰী ৰুভকুনে মুখ্য ভূমিকা পালন কৰে। তেওঁলোকৰ অধ্যয়নত জিনৰ কাৰ্য্য নিয়ন্ত্ৰণত মাইক্ৰ' আৰ এন এৰ গুৰুত্বপূৰ্ণ ভূমিকা উন্মোচিত হৈছে। প্ৰণিধানযোগ্য যে, তেওঁলোকে এই সফলতা লাভ কৰিছিল চি এলেগান্স নামৰ সৰু পোক এটাৰ শৰীৰত এমআৰএনএৰ প্ৰভাৱৰ বিষয়ে অধ্যয়ন কৰি।

# বহিৰাগত বিষয়ালৈ দৰদ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

কৰাত আৰক্ষী বিষয়াৰ প্ৰতি হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দৰদ বৃদ্ধিৰ বিষয়ে চৰ্চা চলিছে। যৌন উৎপীড়নৰ গুৰুতৰ অভিযোগ উত্থাপনেই নহয় আৰক্ষী বিষয়াৰ বিৰুদ্ধে ৰুজু গোচৰৰ চাৰ্জশ্বিট দাখিল থকা আইপিএছ গৌৰৱ উপধ্যায়ক সন্মান প্ৰদান কৰিছে ৰাজ্য চৰকাৰে। পৰিবহন বিভাগৰ অতিৰিক্ত সচিব, আভ্যন্তৰীণ জল পৰিবহন উন্নয়নৰ ছ'চাইটিৰ প্ৰকল্প সঞ্চালক আদিৰ দৰে পদবী প্ৰদান কৰা হৈছে। কিন্তু এইগৰাকী চৰকাৰৰ আশীৰ্বাদপুষ্ট আৰক্ষী বিষয়াক আজিলৈ বিভাগীয় শাস্তি দিয়া নহ'ল। নিলম্বন কৰাটো দূৰৰ কথা ৰিজাৰ্ভ ক্লচ বা শাস্তিমূলক বদলি পৰ্যন্ত কৰা নহ'ল যদিও চৰকাৰে পুৰস্কৃত কৰিছে। গোচৰত অভিযুক্ত তথা চাৰ্জশ্বিট দাখিল হোৱা এইগৰাকী বিষয়াক দিছপুৰত আসনত বহুওৱা হৈছে। এনে বিষয়াক দিছপুৰত স্থান দিয়াত কিশোৰীক আতিশয্যা চলোৱা বিষয়াৰ প্ৰতি ৰাজ্য চৰকাৰৰ দৰদ বাঢ়িছে বুলি চৰ্চা চলিছে। এইগৰাকী বিষয়াক দিছপুৰত আসন দিয়াৰ পাছতে এটা সূত্ৰই থলুৱা বিষয়াক বঞ্চিত কৰি বহিৰাগতক বিষয়াগৰাকীক পুৰস্কৃত কৰাৰ অভিযোগ আনিছে। সততে এইখন চৰকাৰে থলুৱা বিষয়াৰ বিৰুদ্ধে অভিযোগ উঠিলেই নিলম্বন কৰি শাস্তি দিয়ে। কিন্তু ২০১২ বৰ্ষৰ আইপিএছ গৌৰৱ উপাধ্যায়ক দিছপুৰত সুবিধাজনক চকী দিয়াৰ অভিযোগ উঠিছে। এইগৰাকী আইপিএছ গৌৰৱৰ বিৰুদ্ধে ১৩ বছৰীয়া কিশোৰীক যৌন উৎপীড়ন চলোৱাৰ অভিযোগ উঠিছিল। এখন জিলাৰ আৰক্ষী অধীক্ষক হৈ থকাৰ সময়ত উপাধ্যায়ৰ বিৰুদ্ধে ২০২০ চনৰ ৩ জানুৱাৰীত খোদ মহিলা আৰক্ষী বিষয়াই নিজ ১৩ বছৰীয়া কন্যাক যৌন উৎপীড়ন চলোৱাৰ অভিযোগ আনি পাণবজাৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। ডিফুস্থিত আৰক্ষী নিবাসত এই কাণ্ড সংঘটিত কৰাৰ অভিযোগ উঠিছিল। ২০১৯ চনৰ ৩১ ডিচেম্বৰত পাৰ্টী কৰিবলৈ উপাধ্যায়ে সহকৰ্মী মহিলা আৰক্ষী বিষয়াক নিবাসলৈ মাতি নিছিল। মহিলা বিষয়াৰ লগত গৈছিল পুত্ৰ-কন্যা। নিশাই পাৰ্টীৰ মাজতে উপাধ্যায়ে কাৰ্যালয় দেখুৱাবলৈ নিয়ে মহিলা আৰক্ষীগৰাকী আৰু কন্যাক। কাৰ্যালয়ত মাতৃয়ে বাথৰুমত সোমোৱাৰ সময়ত জোৰকৈ কন্যাৰ শৰীৰত হাত দি চুম্বন কৰে উপাধ্যায়ে। কেৱল সিমানে নহয় গাড়ীৰ ভিতৰতো কিশোৰীৰ শৰীৰৰ বিভিন্ন অংশত স্পৰ্শ কৰি যায়। পাছত কিশোৰীয়ে মাতৃক অৱগত কৰাত মাতৃয়ে তিনিদিন পাছত সমস্ত কথা বিৱৰি গুৱাহাটীত এজাহাৰ দাখিল কৰিছিল। অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাই গোচৰৰ তদন্ত কৰিছিল। ভাৰতীয় দণ্ডবিধিৰ আক্ৰমণ বা অপৰাধমূলক কাৰ্য, যৌন নিৰ্যাতনৰ ধাৰা ৩৫৪, ৩৫৪-এ আৰু যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা (পকচো) আইনৰ অধীনত গোচৰ ৰুজু হয়। ২০২১ চনৰ মে' মাহত তেতিয়াৰ চিআইডিৰ উপ-অধীক্ষক প্ৰদীপ কুমাৰ দাসে কৈছিল যে অভিযোগনামা দাখিল কৰা হৈছে আৰু প্ৰমাণসমূহে উপাধ্যায়ৰ জড়িত থকাৰ প্ৰমাণ কৰিছে।তেওঁৰ বিৰুদ্ধে অভিযোগ প্ৰমাণিত হৈছে। তেতিয়াৰ অসমৰ আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰ জ্যোতি মহন্তই কৈছিল যে অভিযোগনামা দাখিল কৰা হৈছে। বিষয়টো ন্যায়ালয়ৰ অধীন। যদি আদালতে ৰায় দিয়ে তেওঁক আইন অনুসৰি গ্ৰেপ্তাৰ কৰা হ'ব। হিমন্ত বিশ্ব শৰ্মা চৰকাৰে থলুৱা উচ্চপদস্থ বিষয়াক বঞ্চিত কৰি বহিৰাগত বিষয়াক সুবিধাজনক স্থানত চকী দিয়াত দিছপুৰৰ ভিতৰে-বাহিৰে গুজৰ আৰম্ভ হৈছে। বিষয়টোক লৈ এতিয়া হিমন্ত চৰকাৰৰ নীতিক লৈ ছ'চিয়েল মিডিয়াতো চৰ্চা চলা দেখা গৈছে।

---

# কোকৰাঝাৰত মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ চেক বিতৰণ অনুষ্ঠান সম্পন্ন

## জিলাখনত উপকৃত হ'ব ৫ হাজাৰতকৈ অধিক ছাত্ৰীঃ লৰেন্স

**ই-সংবাদ, কোকৰাঝাৰ, ৭ অক্টোবৰঃ** সমগ্ৰ ৰাজ্যৰ লগতে কোকৰাঝাৰ জিলাতো দেওবাৰে মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ অধীনত চেক বিতৰণ অনুষ্ঠান সম্পন্ন হয়। কোকৰাঝাৰ ছোৱালী মহাবিদ্যালয়ত নিযুত মইনা আঁচনিৰ চেক বিতৰণী অনুষ্ঠানৰ শুভাৰম্ভ কৰে কোকৰাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক লৰেন্স ইছলাৰীয়ে। তেওঁ নিযুত মইনা আঁচনিৰ অধীনত ৮০১ গৰাকী ছাত্ৰীক চেক প্ৰদান কৰে। ইয়াৰ পিছতে বড়োফা সাংস্কৃতিক প্ৰকল্পত আয়োজিত হোৱা নিযুত মইনা আঁচনিৰ চেক বিতৰণী অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য উকিল মুছাহাৰী আৰু কোকৰাঝাৰ জিলা আয়ুক্ত মাচন্দা পাৰ্টিনৰ উপস্থিতিত ১,১৩৩ গৰাকী হিতাধিকাৰীক চেক বিতৰণ কৰা হয়। আনহাতে বড়োলেণ্ড বিশ্ববিদ্যালয়ত আয়োজন কৰা অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য উইলছন হাছদা, উপাচাৰ্য বি এল আহুজা, পঞ্জীয়ক ড০ এছ বসুমতাৰী, ৰাজহ চক্ৰ বিষয়া ঋতুপৰ্ণা দাস উপস্থিত থাকি নিযুত মইনা আঁচনিৰ চেক বিতৰণ কৰে। ইপিনে নিযুত মইনা আঁচনিৰ চেক বিতৰণ কৰি বিধায়ক লৰেন্স ইছলাৰীয়ে কয় যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত এই আঁচনিৰ জৰিয়তে ৰাজ্যৰ ১,৫৯,০৯৩ গৰাকী ছাত্ৰী পোনপটীয়াকৈ উপকৃত হ'ব আৰু কোকৰাঝাৰ জিলাৰ মুঠ ৫ হাজাৰতকৈ অধিক ছাত্ৰী ইয়াৰ দ্বাৰা লাভান্বিত হ'ব। এই আঁচনিখনে অসমত নাৰী শিক্ষাৰ ক্ষেত্ৰত এক নতুন জাগৰণ আনিবলৈ সমৰ্থ হ'ব আৰু পৰৱৰ্তী প্ৰজন্মৰ যুৱতীসকলক শক্তিশালী কৰিব বুলি মন্তব্য কৰে বিধায়ক লৰেন্স ইছলাৰীয়ে। আঁচনিখনক এখন অভিলাষী আঁচনিও আখ্যা দিয়ে ইছলাৰীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘নতুন পুৰুষ’ নয়নৰ মহানুভৱতা!

প্ৰশংসাৰে উপচাই পেলাইছে বহু নেটিজেনে। অৱশ্যে ইয়াৰ মাজতে দুই এজনে একমাত্ৰ জনপ্ৰিয়তা লাভৰ খাতিৰত যুৱকজনে এনেদৰে টকাখিনি ঘূৰাই দিয়া বুলি ঋণাত্মক মন্তব্যও নকৰা নহয়। দৰাচলতে এই ঘটনাৰ আৰম্ভণি ঘটিছিল যোৱা শনিবাৰে। ডিফুৰ নিৱাসী নয়ন বৰা নামৰ যুৱকজনে বৰপথাৰৰ পৰা কাৰ্বিং আংলঙলৈ যোৱা পথত পৰি থকা অৱস্থাত পাইছিল এটা বেগ। সেই বেগটোৰ ভিতৰত আছিল তিনিখন এটিএম কাৰ্ড আৰু নগদ এক লাখ বিশ হাজাৰ টকা। যুৱকজনে ফিটা ছিঙি পৰি থকা বেগটো উদ্ধাৰ কৰাৰ পিছতে ছ'চিয়েল মিডিয়াত এটা পোষ্ট দি বেগটোৰ গৰাকীৰ সন্ধান কৰে। দুই-তিনিদিনৰ ভিতৰত বেগৰ কোনো গৰাকী নোলালে টকাসহ বেগটো বৰপথাৰ থানাত জমা দিয়া হ'ব বুলিও কয় নয়ন বৰাই। ইফালে যুৱকজনৰ এই ফেচবুক পোষ্ট লাভ কৰিয়েই তেওঁৰ সৈতে যোগাযোগ কৰে বেগটোৰ গৰাকী এগৰাকী মহিলাই। তাৰ পিছত বেগটো মহিলাগৰাকীৰ বুলি নিশ্চিত হোৱাত এটিএম আৰু টকাসহ বেগটো মহিলাগৰাকীক গতাই দিয়ে যুৱকজনে। এই সময়ত আন এক ফেচবুক পোষ্ট কৰি মহিলাগৰাকীৰ ব্যক্তিগত জীৱনৰ কাহিনী জানি আৱেগিক হৈ পৰা বুলিও কয় নয়নে। বেগটোৰ প্ৰকৃত গৰাকী মহিলাগৰাকীক গতাই দি লিখা ফেচবুক পোষ্টটোত নয়ন বৰাই কয়, "যোৱা শনিবাৰে বৰপথাৰ ওচৰৰে ৰাস্তা এটাত এটি চিঙি যোৱা বেগ পাইছিলো আৰু সেই হেতুকে মই ফেচবুকত এটি পোষ্ট শ্বেয়াৰ কৰিছিলো। তাৰ পৰিপ্ৰেক্ষিতত বেগৰ গৰাকীয়ে খবৰ পায় আজি তেওঁক হেণ্ড অভাৰ কৰা হ'ল! বহুতে মোক বহুত মৰম আৰু প্ৰেৰণা দিলে, তেঁওলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ হ'লো। আৰু একাংশই সামাজিক মাধ্যমত পাব্লিচিটিৰ কাৰণে, মই ভাইৰেল হ'বৰ কাৰণে এনে কাম কৰিছো বুলিও ট্ৰ'ল কৰিছিল, তেওঁলোককো ধন্যবাদ জনালো। মোৰ ফোন নম্বৰ, তেঁওৰ নাম আৰু এটিএম কেইখন এই কাৰণেই ৰাজহুৱা কৰা নাছিলো যে একে নামৰ বহুত ব্যক্তিয়ে মোক আমনি কৰিব বুলি। এতিয়া আপোনালোকক এটি অনুৰোধ কৰিছো যাতে মোক যিমান গালি পাৰে বা মোৰ বিষয়ে বহুত বেয়াকৈ লিখে তেন্তে লিখিব পাৰে! কিন্তু মহিলাগৰাকীক যাতে কোনেও বেয়াকৈ একো নকয়, তেওঁৰ জীৱন সংগ্ৰামৰ কথা জানিবলৈ পায় বহুত আৱেগিক হ'লো। (আপোনালোকে সেই পোষ্টত যেনেকৈ সঁহাৰি দিছিল, এই পোষ্টত যদি সঁহাৰি দিয়ে, যিসকলে মিছা বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছিল, তেন্তে তেঁওলোকৰ সন্দেহ দূৰ হ'ব)।" হাতত লক্ষাধিক টকা পৰাৰ পিছতো প্ৰকৃত গৰাকীক বিচাৰি উলিয়াই সেই ধন ঘূৰাই দিয়া আজিৰ যুগৰ যুৱক নয়ন বৰাৰ এই মহানুভৱতাই এতিয়া অহৰহ বুকু কঁপাই যোৱা কাহিনীৰে ভৰি থকা ছ'চিয়েল মিডিয়াক কিছু সময়ৰ বাবে হ'লেও শান্ত-সমাহিত কৰি তোলা পৰিলক্ষিত হৈছে। নয়নৰ এই মহানুভৱতাৰ কথা শ্বেয়াৰ কৰি বহুতেই সমাজত আজিও 'ভাল' মানুহ' নাইকিয়া হৈ যোৱা নাই বুলি ছ'চিয়েল মিডিয়াত মন্তব্য কৰা দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এয়াৰ শ্ব'ৰ মাজতে ঘটিল বৃহৎ

ৰাজনৈতিক উত্তেজনাও। চেন্নাইৰ মেৰিনা সমুদ্ৰ তীৰত অনুষ্ঠিত হোৱা বায়ুসেনাৰ প্ৰতিষ্ঠা দিৱসৰ 'এয়াৰ শ্ব'ৰ চাবলৈ গৈ প্ৰচণ্ড গৰম আৰু ভিৰৰ বাবে প্ৰাণ হেৰুৱাবলগীয়া হৈছে ৫ জনকৈ লোকে। আনহাতে অসুস্থ হৈ এতিয়াও চিকিৎসাধীন হৈ আছে দুই শতাধিক লোক। এই ঘটনাৰ পিছতে ৰাজনৈতিক উত্তেজনা বৃদ্ধি কৰি শাসকীয় ডিএমকে আৰু মুখ্যমন্ত্ৰী এম কে ষ্টেলিনৰ বিৰুদ্ধে আক্ৰমণাত্মক হৈ পৰিছে বিৰোধী বিজেপি আৰু এডিএমকে। তামিলনাডু বিজেপিৰ ৰাজ্যিক সভাপতি অন্নমলাইয়ে ছ'চিয়েল মিডিয়াত ডিএমকে আক্ৰমণ কৰি লিখিছে, ‘ৰাজ্য চৰকাৰে জনসাধাৰণৰ নূন্যতম সুৰক্ষাৰ কথাও চিন্তা কৰা নাছিল। মানুহে প্ৰয়োজনীয় সেৱা নাপালে। প্ৰয়োজনতকৈ বহু কম বাহন চলোৱা হয়।" ইফালে জয়াললিতাৰ দল এডিএমকেও এই ঘটনাত ষ্টেলিন চৰকাৰক সমালোচনা কৰে। দলৰ নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী ই কে পালানিস্বামীয়ে ছ'চিয়েল মিডিয়াত লিখিছে, ‘এয়াৰ শ্ব’ চাবলৈ যোৱা লোকসকলৰ বাবে খোৱাপানীৰ ব্যৱস্থা নাছিল। হিটষ্ট্ৰ'কৰ বাবে বহু লোক চিকিৎসালয়ত ভৰ্তি হৈ আছে।" বিৰোধীৰ এই আক্ৰমণৰ মাজতে ভিৰ নিয়ন্ত্ৰণত চৰকাৰৰ ব্যৰ্থতা আওপকীয়াকৈ স্বীকাৰ কৰিছে শাসকীয় ডিএমকেৰ নেতা কানিমোঝিয়েও। তেওঁ কয় যে এনে অনিয়ন্ত্ৰিত জনসমাগম এৰাই চলিব পৰা গ'লহেঁতেন। ইফালে তামিলনাডুৰ স্বাস্থ্যমন্ত্ৰী এম এ সুব্ৰমণিয়ামে কয় যে বায়ুসেনাৰ অনুৰোধ মানি প্ৰশাসনে সকলো প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। ষ্টেলিনৰ মন্ত্ৰীসভাৰ সদস্যগৰাকীয়ে বিৰোধী দলসমূহক বিষয়টোক ৰাজনৈতিক ৰং দিয়াৰ বাবেও সমালোচনা কৰে। প্ৰণিধানযোগ্য যে, বায়ু সেনাৰ ৯২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি প্ৰথম অৱস্থাত সিদ্ধান্ত লোৱা হৈছিল যে দেওবাৰে পুৱা ১১ বজাৰ পৰা দুপৰীয়া ১ বজালৈ চেন্নাইৰ আকাশত এই বিশেষ শ্ব' প্ৰদৰ্শন কৰা হ'ব। এই প্ৰদৰ্শনীত বায়ুসেনাৰ কেইবাখনো বিমানে অংশগ্ৰহণ কৰিব। বায়ু সেনাৰ এই এয়াৰ শ্ব'ৰ এটুকুৰা সুবিধাজনক ঠাইৰ পৰা উপভোগ কৰাৰ মানসেৰে পুৱা ৮ বজাৰ পৰাই মেৰিনা সমুদ্ৰ তীৰলৈ সমাগম ঘটিবলৈ আৰম্ভ কৰে মানুহৰ। ইয়াৰ পিছতে পুৱা ১১ বজা পৰ্যন্ত কেইবা লক্ষাধিক লোকেৰে ভৰি পৰে সেই অঞ্চল। যাৰ পৰিণামস্বৰূপে সূৰ্য্যৰ প্ৰচণ্ড উত্তাপ আৰু অত্যাধিক গৰমৰ বাবে চেতনা হেৰুৱাই পেলায় বহু লোকে। ইফালে মেৰিনা সমুদ্ৰ তীৰত প্ৰয়োজনীয় পানী যোগানৰ ব্যৱস্থা নথকাত অসুস্থ হৈ পৰা বহু লোকক হাস্পতালত ভৰ্তি কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। হাস্পতালতে চিকিৎসাধীন অৱস্থাত সোমবাৰে পুৱা পৰ্যন্ত ৫ জন লোকৰ মৃত্যু ঘটে। ঘটনাটোক লৈ এতিয়া গৰম হৈ পৰিছে তামিলনাডুৰ ৰাজনীতি।

# কৰ্ম মহীয়ান দেৱযানী শইকীয়া গগৈক সম্বৰ্ধনা

**ই-সংবাদ, আমগুৰি, ৭ অক্টোবৰঃ** শিৱসাগৰ জিলাৰ নামতি প্ৰেছ ক্লাবৰ 'কৰ্ম মহীয়ান বঁটা ২০২৪' প্ৰাপক দেৱযানী শইকীয়া গগৈক বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে জনাইছে অভিনন্দন। নামতি খেজুৰিতলৰ নিবাসী বিশিষ্ট সাংস্কৃতিক কৰ্মী, সাহিত্য সংগঠক, নৃত্যাচাৰ্য, সু-লেখিকা শিক্ষয়িত্ৰী দেৱযানী শইকীয়া গগৈক শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত আয়োজিত নামতি প্ৰেছ ক্লাবৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱসত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ ধ্ৰুৱজ্যোতি নাথ, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সৌমাৰজ্যোতি মহন্ত, নামতি প্ৰেছ ক্লাবৰ উপদেষ্টা জয়ন্ত কুমাৰ চুতীয়া, সভাপতি ৰাতুল শৰ্মা সম্পাদক জিয়াৰুদ্দিন আহমেদে উক্ত বঁটা প্ৰদান কৰে।




এগৰাকী উদ্যমী অমায়িক স্বভাৱৰ মহিলা হিচাপে পৰিচিত দেৱযানী শইকীয়া গগৈ এতিয়া নপ্ৰজন্মৰ বাবে আদৰ্শস্বৰূপ। ল'ৰালি কালৰ পৰাই সাংস্কৃতিক চৰ্চাৰ পৰিৱেশত লালিত-পালিত হোৱা দেৱযানী শইকীয়া গগৈ বৰ্তমান নামতিৰ কলামঞ্জৰী সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষা হিচাপে কৰ্মৰত হৈ মহাবিদ্যালয়ত আৰু বহু কৰ্মশালাত প্ৰশিক্ষাৰ্থীসকলক বিভিন্নধৰণৰ লোকনৃত্য শিকাই আহিছে। তদুপৰি জ্ঞানজ্যোতি বিদ্যাপীঠ নামৰ এখন বিদ্যালয় প্ৰতিষ্ঠা কৰি সঞ্চালিকা হিচাপে কৰ্মৰত হৈ বহু ছাত্ৰ-ছাত্ৰীক কণমানি অৱস্থাতে সাংস্কৃতিক, বৌদ্ধিক, ক্ৰীড়া আদি ক্ষেত্ৰত প্ৰতিভাশালী কৰি গঢ়ি তুলিবলৈ সক্ষম হৈছে। এই গৰাকী মহিলাই নামতি প্ৰেছ ক্লাবৰ কৰ্ম মহীয়ান বঁটা ২০২৪ লাভ কৰাৰ পাছতে এতিয়া নামতি পিয়লি ফুকন শাখা সাহিত্য সভা, আটাছু বৰুৱা পুখুৰী আঞ্চলিক সমিতি, নামতি কবি সন্মিলন, স্বেচ্ছাসেৱী অনুষ্ঠান জোনাকী সমাজ, খেজুৰিতল সন্মিলিত যুৱ সমাজকে আদি কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, শুভাকাংক্ষী, গুণীজন উৎফুল্লিত হৈ অভিনন্দন জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদৰ অন্তত মাজনিশা

ঘেৰাও কৰি কঠোৰ ভাষাৰে সমালোচনা কৰে ছাত্ৰ সমাজে। ব্ৰিটিছৰ দৰে ক্ৰুৰতাপূৰ্ণ কাণ্ড সংঘটিত কৰি নিজ মইমতালিৰে দুটাকৈ হোষ্টেলৰ বিদ্যুৎ আৰু পানী যোগান ব্যাহত কৰিছিল ননীগোপাল মহন্তই। শনিবাৰে নিশাই কোঠাই কোঠাই ছাত্ৰ থকাৰ সময়তে দুটাকৈ হোষ্টেল খালী কৰাৰ নিৰ্দেশ জাৰি কৰে। ইমানে নহয় হোষ্টেলৰ বিদ্যুৎ আৰু পানী যোগান ব্যাহত কৰাত সমগ্ৰ বিশ্ববিদ্যালয় চৌহদত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। দেওবাৰে পুৱাৰে পৰা ২৫টা হোষ্টেলৰ ছাত্ৰ সমাজ উত্তেজিত হৈ নিশা একত্ৰিত হয়। নিশাই ২৫টা হোষ্টলৰ ছাত্ৰসকলে একত্ৰিত হৈ ননীগোপাল মহন্তৰ আবাস অভিমুখে মাৰ্চ কৰে। কেইবাশ ছাত্ৰই উপাচাৰ্য হায়ঃ হায়ঃ, উপাচাৰ্য মুৰ্দাবাদ, ননীগোপাল মহন্ত মুৰ্দাবাদ আদি শ্ল'গান দি আকাশ-বতাহ কপাই তোলে। নিশা হোষ্টেলৰ পৰা ওলাই অহা ক্ষোভিত ছাত্ৰই উপাচাৰ্য ননীগোপাল মহন্ত আৰু পঞ্জীয়ক ড০ হেমন্ত কুমাৰ নাথৰ আবাস ঘেৰাও কৰে। একাংশ ক্ষোভিত ছাত্ৰই ননীগোপাল মহন্তক অশ্লীল ভাষাৰে গালি-গালাজ কৰা পৰিলক্ষিত হয়। ছাত্ৰ সমাজে বিদ্যুৎ সেৱা ব্যাহত কৰাৰ লগতে পানী যোগান বন্ধ কৰাত ভোকে-পিয়াহে থাকিবলগীয়া হোৱাত শাৰীৰিক অৱস্থা কাহিল হৈছিল। যাৰ ফলত গুজৰি-গুমৰি থকা ছাত্ৰসকলৰ খঙৰ মাত্ৰা ইমানে বৃদ্ধি হৈছিল যে প্ৰয়োজনত সীমা চেৰ পেলাবলৈ উত্ৰাবল হয়। ছাত্ৰৰ উগ্ৰমূৰ্তি প্ৰত্যক্ষ কৰি উপাচাৰ্য মহন্তই সুৰ সলনি কৰাৰ লগতে হোষ্টেল খালী কৰাৰ নিৰ্দেশনা বাতিল কৰাতহে পৰিস্থিতি শাম কাটে। ছাত্ৰৰ উগ্ৰমূৰ্তি দেখি গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰাবাস খালী কৰিবলৈ দিয়া নিৰ্দেশ ততাতৈয়াকৈ বাতিল কৰে। তাৰ পাছতে হোষ্টেলৰ বিদ্যুৎ সেৱা বাহাল কৰাৰ লগতে পানী যোগান ধৰা হয়। উল্লেখ্য যে, ২৭ ছেপ্টেম্বৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হৈছিল। ফলাফল ঘোষণাৰ পাছতে নিশা বিশ্ববিদ্যালয়ৰ চৌহদতে আৰচিচি-১ আৰু আৰচিচি-২ ছাত্ৰবাসৰ আৱাসীৰ মাজত ৰক্তাক্ত সংঘাত লাগে। এই নিৰ্বাচন কেন্দ্ৰিক সংঘাতত দুটা পক্ষৰ কেইবাগৰাকী ছাত্ৰ আহত হয়। ৩০ ছেপ্টেম্বৰত বিশ্ববিদ্যালয়ে এক হঠকাৰী সিদ্ধান্ত লৈ আৰচিচি-১ আৰু আৰচিচি-২ হোষ্টেল বন্ধ ৰখাৰ নিৰ্দেশ দি আন ২৩ হোষ্টেলৰ সৈতে আৰচিচি-১ আৰু আৰচিচি-২ৰ ছাত্ৰক মিলাই থাকিবলৈ নিৰ্দেশ জাৰি কৰিছিল। কিন্তু বাকী ২৩টা হোষ্টেলৰ ছাত্ৰই এই কথা মানি লোৱা নাছিল। লগে লগে ২৫টা হোষ্টেলৰ ছাত্ৰ সমাজে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ বিৰুদ্ধে প্ৰতিবাদ আৰম্ভ কৰে। জাননী লাভ কৰি সৰৰ হোষ্টেল আৱাসীসকলে প্ৰতিবাদ সাব্যস্ত কৰিছিল। উপাচাৰ্য অধ্যাপক নানীগোপাল মহন্ত, পঞ্জীয়ক ড০ হেমন্ত কুমাৰ নাথৰ বাসভৱন ঘেৰাও কৰাত পৰিস্থিতি বিষম দেখি পূৰ্বৰ নিৰ্দেশনা বাতিল কৰে। হোষ্টেল কৰ্মচাৰী পুনৰ নিয়োগ কৰাৰ লগতে বিদ্যুৎ আৰু পানী যোগান ধৰা হয়। ইফালে, দুই হোষ্টেলৰ নাম সলনি কৰিব বুলি চলা প্ৰচাৰক মিছা আখ্যা দি তেনে কোনো সিদ্ধান্ত লোৱা নাই বুলি কয় বিশ্ববিদ্যালয় কৰ্তৃপক্ষই। ছাত্ৰৰ সামগ্ৰীসমূহ নিৰ্ধাৰিত স্থানত সুৰক্ষিত কৰি ৰখাৰ কথাও দোহাৰিছে কৰ্তৃপক্ষই। অপ্ৰীতিকৰ ঘটনাৰ বাবে দোষী সাব্যস্ত হোৱা লোকসকলৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা, প্ৰয়োজনত হোষ্টেলৰ কোঠা পৰীক্ষা কৰা হ'ব বুলিও জাননীখনত উল্লেখ কৰা হৈছিল। যাৰ বাবে নিৰ্দেশনাৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছিল ছাত্ৰ সমাজ। ইপিনে হিংসাত্মক ঘটনাৰ পাছতে ছাত্ৰৰ প্ৰতিবাদক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। নিৰ্বাচনক লৈ সংঘটিত ঘটনাক দুৰ্ভাগ্যজনক আখ্যা দি মুখ্যমন্ত্ৰীয়ে কয় যে পিতৃ-মাতৃয়ে সন্তানৰ প্ৰতি থকা বিশ্বাস ভংগ হ'ব দিব নালাগে। লগতে প্ৰাক্তন আৱাসীসকলক লৈ কঠোৰ হোৱাৰ ইংগিত দি মুখ্যমন্ত্ৰীয়ে কয় যে অনুষ্ঠান নাথাকিলে পৰাপক্ষত প্ৰাক্তন আৱাসীসকল হোষ্টেললৈ নোযোৱাই ভাল। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য কঠোৰ হ'ব লাগিব। প্ৰাক্তন আবাসীক বিশ্ববিদ্যালয়ৰ হোষ্টেলত প্ৰৱেশত বাধা দিয়াৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় কৰ্তৃপক্ষক কঠোৰ হ'বলৈকো কয় মুখ্যমন্ত্ৰীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ড্ৰাগছৰ গোচৰত আবু বক্কৰক গ্ৰেপ্তাৰ

ছিদ্দিকক সোমবাৰে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। জানিব পৰা মতে, নিষিদ্ধ ড্ৰাগছ সৰবৰাহৰ গোচৰৰ অভিযোগত নগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি আবু বক্কৰ ছিদ্দিকক। আবু বক্কৰ ছিদ্দিকৰ বিৰুদ্ধে ড্ৰাগছ সৰবৰাহৰ সৈতে জড়িত থকাৰ কিছু তথ্য লাভ কৰাৰ পিছতেই সোমবাৰে পুৱাতেই প্ৰথমে জুৰীয়া আৰক্ষীয়ে আটক কৰে যদিও পৰবৰ্তী পৰ্যায়ত গ্ৰেপ্তাৰ কৰে নগাঁও আৰক্ষীয়ে। কচুৱা আৰক্ষী থানাত ৭৩/২৪ নম্বৰ গোচৰত ভাৰতীয় ন্যায় সংহিতাৰ ৬১ (২) (এ)/১২৩, ২১৭ ধাৰাত আৰু এনডিপিএছ আইনৰ আৰ/ডব্লিউ এছ চি চি ২২(চি)/২৯ ধাৰাত ড্ৰাগছ ক্ৰয় আৰু বিক্ৰী কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ নেতাগৰাকীক। নগাঁৱৰ কামপুৰৰ পমিলা জাৰণিৰ আব্দুল মালেকৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত নগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে অভিযুক্ত নেতাজনক। অভিযোগ মতে, আব্দুল মালেকক নিষিদ্ধ ড্ৰাগছ যোগান ধৰিছিল আবু বক্কৰ ছিদ্দিকে। উক্ত গোচৰটোৰ ভিত্তিতেই গ্ৰেপ্তাৰ কৰা সংখ্যালঘু সংগঠনটোৰ নেতা আবু বক্কৰ ছিদ্দিকক আদালতত হাজিৰ কৰাৰ অন্তত আৰক্ষীয়ে নিজৰ জিম্মাত লৈ নেতাজনে ড্ৰাগছ ক'ৰ পৰা সংগ্ৰহ কৰিছিল সেই সন্দৰ্ভত জেৰা চলাই আছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, বিগত কিছুদিন ধৰি উজনি অসমত সৃষ্টি হোৱা মিঞা শ্ৰমিক বিতৰ্কতো সাঙোৰ খাই পৰিছিল এই নেতাগৰাকীৰ নাম। উজনি অসমৰ পৰা নিজৰ ঘৰলৈ উভতি অহা শ্ৰমিকসকল পুনৰ উজনি অসমলৈ যোৱাৰ সময়ত পথত শ্ৰমিকসকলক বাধা প্ৰদান কৰি মিঞা শ্ৰমিকক উজনি অসমত নিৰাপত্তা নিশ্চিত কৰাৰ দাবী কৰিছিল সংখ্যালঘু সংগ্ৰাম পৰিষদে। ছিদ্দিক গ্ৰেপ্তাৰ হোৱা ঘটনাই সংগঠনটোক লৈ বহু প্ৰশ্নৰ উদ্ৰেক ঘটাইছে।

# উৰিয়ামঘাটত খিলঞ্জীয়া ঐক্য মঞ্চৰ নাগৰিক সভা

**ই-সংবাদ, সৰুপথাৰ, ৭ অক্টোবৰঃ** ৰাজ্যখনত ক্ৰমাৎ ভয়াৱহভাৱে বৃদ্ধি পাবলৈ ধৰা অবৈধ অনুপ্ৰবেশকাৰীয়ে খিলঞ্জীয়া ভূমিপুত্ৰসকলৰ ভাষা, কৃষ্টি-সংস্কৃতিৰ লগতে অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আদি দিশত বিৰূপ প্ৰভাৱ পেলোৱাকলৈ শংকিত হৈ পৰিছে থলুৱা ভূমিপুত্ৰ খিলঞ্জীয়া জনসাধাৰণ। উজনি অসমৰ শিৱসাগৰৰ পৰা আৰম্ভ হোৱা খিলঞ্জীয়াসকলৰ ঐক্যবদ্ধ অস্তিত্ব ৰক্ষা সংগ্ৰামখন সমগ্ৰ ৰাজ্যখনলৈ ক্ৰমাৎ প্ৰসাৰিত হোৱাৰ সময়তেই গোলাঘাট জিলা ধনশিৰি মহকুমাতো (সৰুপথাৰ সমজিলা) ইয়াৰ প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। সদ্যগঠিত 'খিলঞ্জীয়া ঐক্য মঞ্চ ধনশিৰি মহকুমা'ৰ উদ্যোগত যোৱা ৬ অক্টোবৰত উৰিয়ামঘাট ৰাজহুৱা ভৱন প্ৰাংগণত ৰজাপুখুৰী অংচা জিলদৈ শ্যাম হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক থানেশ্বৰ গগৈৰ সভাপতিত্বত এখন নাগৰিক সভা অনুষ্ঠিত হয়। সভাত উদ্দেশ্য ব্যাখ্যা কৰে মঞ্চৰ সহকাৰী সম্পাদক অপূৰ্ব উৰাঙে। ঐক্যমঞ্চ গোলাঘাট জিলা সমিতিৰ সহকাৰী সম্পাদক দ্বীপেন গগৈ, সদৌ তাই আহোম ছাত্ৰ সন্থা গোলাঘাট জিলা সমিতিৰ উপ-সভাপতি অনন্ত গগৈ, সমাজ কৰ্মী ধীৰ শ্যামকে আদি কৰি কেইবাগৰাকীও বক্তাই সাম্প্ৰতিক পৰিস্থিতি তথা অসমৰ খিলঞ্জীয়া থলুৱা জনসাধাৰণৰ ওপৰত আহি পৰা বিভিন্ন সমস্যাৱলীৰ লগতে অসম নগালেণ্ড সীমা সমস্যা, ভূমি পট্টা প্ৰদানক লৈ বক্তব্য দাঙি ধৰে। সভাত গ্ৰহণ কৰা প্ৰস্তাৱসমূহ হ'ল সীমান্তবৰ্তী এলেকাত অবৈধভাৱে বসবাস কৰা পূৰ্ব বংগীয় মূলৰ অনুপ্ৰৱেশকাৰীসকলক উচ্ছেদ কৰি উচ্ছেদিত ভূমি সমূহত বনানিকৰণ কৰা আৰু এই সন্দৰ্ভত স্থানীয় বিধায়কৰ লগতে মুখ্যমন্ত্ৰীক স্মাৰকপত্ৰ প্ৰদান কৰা, থলুৱা খিলঞ্জীয়াৰ অস্তিত্ব সুৰক্ষাৰ স্বাৰ্থত সকলো একত্ৰিত হোৱা, উৰিয়ামঘাট বজাৰ এলেকাৰ লগতে পাশ্বৰ্বতী এলেকাৰ ব্যৱসায়িক প্ৰতিষ্ঠান তথা অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানৰ হৰ্ডিং, বেনাৰ প'ষ্টাৰ আদি অসমীয়া ভাষাত লিখিবৰ বাবে গৰাকীসকলক জাননী দিয়া আদিয়েই প্ৰধান। সভাত বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি, জ্যেষ্ঠ নাগৰিক আৰু শতাধিক ৰাইজ উপস্থিত থাকে।

# ধাৰাবাহিক উচ্ছেদৰ বিৰুদ্ধে নীৰৱ কংগ্ৰেছ! দলগাঁৱত দাবী বিধায়ক মুজিবুৰৰ

**ই-সংবাদ, দলগাঁও, ৭ অক্টোবৰঃ** সমাগত পঞ্চায়ত নিৰ্বাচনক লৈ শাসক-বিৰোধী সকলোৱে কঁকালত টঙালি বান্ধিছে। ইটো দলে সিটো দললৈ বোকা ছটিওৱাৰ ৰাজনীতিৰে ভোটাৰৰ মন জয় কৰিবলৈ উঠি-পৰি লাগিছে। তাৰ কোনো ব্যতিক্ৰম নহয় দৰং জিলাৰ দলগাঁও সমষ্টি। সমষ্টিটোৰ শাসক দল এআইইউডিএফ আৰু প্ৰধান বিৰোধী দল কংগ্ৰেছে ভোটাৰৰ মাজত সোমাই পৰা পৰিলক্ষিত হৈছে। মন কৰিবলগীয়া যে, প্ৰায় তিনিটা কাৰ্যকাল ধৰি সমষ্টিটোৰ গৰিষ্ঠ সংখ্যক পঞ্চায়ত এআইইউএফৰ দখলত আছে। পঞ্চায়তসমূহত অবাধ দুৰ্নীতিৰ অভিযোগ তুলি বিৰোধী দল কংগ্ৰেছে ভোটাৰৰ কাষ চপাৰ সময়তে আগন্তুক পঞ্চায়ত নিৰ্বাচনত এআইইউএফৰ প্ৰস্তুতি কেনে হব বুলি সাংবাদিকে প্ৰশ্ন কৰাত বিধায়ক মজিবুৰে কয় "সংখ্যালঘু জনগণে কংগ্ৰেছ দলক



ভোট দি শাসনত বহুৱাই কি পালে? চৰৰ মাটিৰ পট্টা নহ'ল। ডি-ভোটাৰৰ সমস্যা সৃষ্টি কৰি মুছলমান সকলক ডিটেনচন কেম্প উপহাৰ দিলে। উচ্ছেদৰ আইন বনাই থৈ যোৱা কাৰণে আজি বিজেপিয়ে এক ফালৰ পৰা মুছলমানক টাৰ্গেট কৰি উচ্ছেদ চলাই আছে। কচুতলিকে আদি কৰি যিমান মুছলমানৰ ঘৰ উচ্ছেদ কৰা হৈছে তাৰ বিৰুদ্ধে কংগ্ৰেছৰ এজন বিধায়কেও মাত মাতা নাই বুলি অভিযোগ তুলি সংখ্যালঘুৱে কংগ্ৰেছক ভোট কিয় ভোট দিব" বুলি বিধায়কজনে প্ৰশ্ন কৰে। তেওঁ আৰু কয়, আগৰ দিন নাই, মুছলমানে এতিয়া কংগ্ৰেছৰ চৰিত্ৰ বুজি পাইছে। সমাগত নিৰ্বাচনত কিমানখন পঞ্চায়ত জিকিব বুলি সোধাত বিধায়ক মজিবুৰে কয়- "সমষ্টি আৰু পঞ্চায়তৰ সীমা নিৰ্ধাৰণ চূড়ান্ত হলেহে কব পৰা যাব কিমান আসন পাম। দলগাঁও সমষ্টিৰ দুই-এটা পঞ্চায়ত এৰি বাকী সকলো পঞ্চায়ত এআইইউএফৰ দখলত থাকিব বুলি দাবী কৰে বিধায়ক মজিবুৰে। ইফালে, বিধায়ক মুজিবুৰৰ এই দাবীক হাস্যকৰ আখ্যা দি কংগ্ৰেছে পঞ্চায়ত সমূহত সংঘটিত অবাধ দুৰ্নীতিৰ বিষয়টোহে ৰাইজৰ মাজত তুলি ধৰিব বুলি জানিবলৈ দিছে।



# ৰেখামণি দাসলৈ স্প্ৰিংফিল্ড বিশ্ববিদ্যালয়ৰ সন্মানীয় ডক্টৰেট ডিগ্ৰী

**ই-সংবাদ, পুৰণিগুদাম, ৭ অক্টোবৰঃ** যোগৰ ক্ষেত্ৰখনত প্ৰচাৰ আৰু প্ৰসাৰতা বিস্তাৰেৰে সমাজলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ স্প্ৰিংফিল্ড খ্ৰীষ্টিয়ান ইউনিভাৰ্ছিটিয়ে যোৱা কালি ৰেখামণি দাসক ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। জানিব পৰা মতে, কালি বিয়লি ৫ মান বজাত গুৱাহাটীৰ উজান বজাৰস্থিত বিবেকানন্দ প্ৰেক্ষাগৃহত ভাৰতীয় সংস্কৃতি বিকাশ কেন্দ্ৰই অনুষ্ঠিত কৰা দেৱী শক্তি ৰাষ্ট্ৰীয় নৃত্য মহোৎসৱ - ২০২৪ অনুষ্ঠানত ৰেখামণি দাসক যোগৰ ক্ষেত্ৰ খনলৈ আগবঢ়োৱা তেওঁৰ উৎকৃষ্ট অৱদানৰ বাবেই ডক্টৰেট উপাধি প্ৰদান কৰে মুখ্য অতিথি হিচাপে উপস্থিত থকা আন্তঃৰাষ্ট্ৰীয় কিন্নৰ অখাড়াৰ মহন্ত তথা উত্তৰ প্ৰদেশৰ ট্ৰান্সজেণ্ডাৰ ৱেলফেয়াৰ বোৰ্ড মহন্ত ডক্টৰ বৈষ্ণৱী নন্দগিৰিয়ে। বিগত ১৫ বছৰ ধৰি ৰেখামণি দাসে যোগ আৰু আধ্যাত্মিকতাৰ উৎকৃষ্ট অনুশীলনৰ প্ৰদান তথা বিভিন্ন প্ৰেৰণাদায়ক লিখনিৰে সমাজৰ ভিন্নজনক জীয়াই থকাৰ প্ৰেৰণা,সাহস আৰু শক্তি আদি প্ৰদানেৰে সমাজত শান্তি আৰু আনন্দ বিয়পাবলৈ বিভিন্ন প্ৰকাৰে অহৰহ চেষ্টা কৰি আহিছে।বিগত সময়ত সংবাদ মাধ্যম আৰু ছ'ছিয়েল মিডিয়াত ৰেখামণি দাসৰ যোগ আৰু আধ্যাত্মিকতাৰ লিখনিবোৰ পঢ়ুৱৈ সমাজে আঁকোৱালি লোৱা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, ৰেখামণি দাসে ইয়াৰ পূৰ্বেও যোগ অলংকাৰ এৱাৰ্ড, ইণ্ডিয়ান আইকন এৱাৰ্ড, ৰাষ্ট্ৰীয় প্ৰতিভা পুৰস্কাৰেৰে সন্মানিত হৈছে।ৰেখামণি দাস নগাঁও জিলাৰ চামগুৰিৰ বিদ্যুত জ্যোতি বৰাৰ পত্নী আৰু বৰপেটা জিলাৰ নগাঁৰৰ শিক্ষাবিদদ্বয় ক্ৰমে যগেশ্বৰ দাস আৰু জয়মতী দাসৰ জ্যেষ্ঠা কন্যা। উক্ত খবৰ লাভ কৰাৰ পিছতে বিভিন্ন দল-সংগঠনে তেওঁক শুভেচ্ছা জনাইছে।

# ২৮ বছৰৰ অন্তত ন্যায় লাভ, ১৩ হত্যাকাৰীক যাৱজ্জীৱন কাৰাদণ্ডৰ নিৰ্দেশ

**ই-সংবাদ, বিলাসীপাৰা, ৭ অক্টোবৰঃ** বিলাসীপাৰাত সুদীৰ্ঘ ২৮ বছৰ পিছত ন্যায় পালে হত্যাৰ বলি হোৱা পৰিয়ালৰ লোকে। বিলাসীপাৰা অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতে আজি এক ঐতিহাসিক ৰায়দান কৰি ছাবেদ আলী, ময়নাল হ'ক আৰু আছিৰ উদ্দিনৰ হত্যাকাৰী ১৩ জনক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। উল্লেখ্য যে, বিলাসীপাৰা থানাৰ ভোৱালকামুৰি প্ৰথম খণ্ড গাওঁত ভূমি বিবাদক কেন্দ্ৰ কৰি ১৯৯৬ চনত সংঘটিত হৈছিল এক লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনা। ভুক্তভোগীৰ এজাহাৰৰ ভিত্তিত ১৯০/১৯৯৬ নম্বৰত ৰুজু হৈছিল গোচৰ। বিলাসীপাৰা মহকুমা আদালতৰ ছেচন কেচ নম্বৰ ১০৮/২০০১ মতে ন্যায়াধীশে শুনানি গ্ৰহণ কৰি আজি চূড়ান্ত ৰায় প্ৰদান কৰে। বিলাসীপাৰা অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ ফাৰজানা ছুলতানা বিচাৰপীঠে হত্যাকাণ্ডৰ অভিযুক্ত আব্বাছ আলী, আলী হোছেইন, আবু বক্কাৰ ছিদ্দিক, ছাদেক আলীকে ধৰি মুঠ ১৩ জনক ভাৰতীয় দণ্ডবিধি আইনৰ ১৪৯/৩০২/৩২৬ নং ধাৰাত যাৱজ্জীৱন কাৰাদণ্ড বিহে। হত্যাকাণ্ডটোত জড়িত আন ৬ জন লোকৰ ইতিমধ্যে মৃত্যু হোৱাৰ লগতে আন দুজন নাবালক হোৱাৰ বাবে ৰেহাই দিয়ে। ২৮ বছৰ পিছত ন্যায় পোৱাত পৰিয়ালটোৱে সন্তুষ্টি প্ৰকাশ কৰে।

# ভূৰাগাঁৱৰ জামাদাৰী প্ৰাথমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ লাইখুঁটা স্থাপন



**ই-সংবাদ, লাহৰীঘাট, ৭ অক্টোবৰঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱৰ জামাদাৰী প্ৰাথমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ উপলক্ষে চলিছে ব্যাপক প্ৰস্তুতি। ইয়াৰ লগত সংগতি ৰাখি আজি হৰিধ্বনি আৰু আয়তীৰ উৰুলিৰে লাইখুঁটা স্হাপন কৰা হয়। উল্লেখ্য যে অহা ৯ আৰু ১০ নৱেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে জামাদাৰী গাঁওবাসীয়ে উদযাপন কৰিব বিদ্যালয়খনৰ মহাৰজত জয়ন্তী। ১৯৪৭ চনত স্থাপন হোৱা বিদ্যালয়খনে এইবেলি ৭৭ বছৰত ভৰি দিলেহি। সেই উপলক্ষে আজি পুৰা মহাৰজত জয়ন্তী উদযাপন সমিতিয়ে গাঁওবাসীৰ সহযোগত আয়োজন কৰা লাইখুঁটা স্হাপন কাৰ্যসূচীত উপস্থিত থাকি তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে লাইখুঁটা স্থাপন কৰে। এক মাংগলিক পৰিৱেশত হৰিধ্বনি আৰু আয়তীৰ উৰুলিৰে বিদ্যালয়খনৰ প্ৰাংগণ মুখৰিত হৈ পৰে। সমান্তৰালকৈ অনুষ্ঠানৰ এটি অস্থায়ী কাৰ্যালয় শুভ উদ্বোধন কৰে তিৱা স্বায়ত্ব পৰিষদৰ জামাদাৰী সমষ্টিৰ সদস্য দুলাল ব্ৰহ্মই। আজি এই অনুষ্ঠানত তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰৰ লগতে, সদস্য দুলাল ব্ৰহ্ম, মহাৰজত জয়ন্তী উদযাপন সমিতিৰ সভাপতি বিপিন চন্দ্ৰ বৰদলৈ, কাৰ্যকৰী সভাপতি জনক দেউৰী, মনোজ বৰদলৈ, সম্পাদক বনজিৎ ডেকা, প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সম্পাদক ডাঃ বিশ্বজিৎ বৰদলৈ, যুটীয়া সম্পাদক ৰাজু বৰদলৈ, অমূল্য বৰদলৈ স্মৃতিগ্ৰন্থৰ সভাপতি মিহিৰাম বৰদলৈ আৰু সম্পাদক ৰঞ্জিত কুমাৰ পাতৰ, বিদ্যালয়খনৰ শিক্ষক গন্ধৰ্ব কোঁৱৰৰ লগতে স্থানীয় বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে মহাৰজত জয়ন্তীৰ সৈতে সংগতি ৰাখি প্ৰকাশ হ'ব এখন স্মৃতিগ্ৰন্থ বিশিষ্ট কবি প্ৰণৱ কুমাৰ বৰ্মনে অনুষ্ঠানৰ দ্বিতীয় দিনা উন্মোচন কৰিব স্মৃতিগ্ৰন্থখন। তদুপৰি অন্যান্য কাৰ্যসূচীৰ লগতে সাংস্কৃতিক সন্ধিয়াত গীত পৰিৱেশন কৰিব বিশিষ্ট শিল্পী মহেন্দ্ৰ হাজৰিকাই। ৰাজ্যখনৰ অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয় সমূহৰ ভবিষ্যতক লৈ বহু প্ৰশ্ন উত্থাপনৰ সময়তে জামাদাৰী গাঁওবাসীয়ে এখন চৰকাৰী প্ৰাথমিক বিদ্যালয়ক জাকত জিলিকা কৰি সজাই তোলাৰ বাবে লোৱা এনে প্ৰয়াস নিশ্চিতভাৱে আদৰণীয়।

## উদ্বিগ্ন চীনা দূতাবাস, কৰ্মৰত চীনা লোকক সুৰক্ষা দিবলৈ দাবী

# পাকিস্তানৰ কৰাচীত ভয়ংকৰ বিস্ফোৰণত নিহত তিনি চীনা অভিযন্তা

**কৰাচী, ৭ অক্টোবৰঃ** দেওবাৰে নিশা পাকিস্তানৰ কৰাচী স্থানীয় সংবাদ মাধ্যমৰ বাতৰিয়ে দাবী কৰা মতে, এই বিস্ফোৰণৰ শব্দ চহৰখনৰ বিভিন্ন প্ৰান্তৰ পৰাও শুনা বিমানবন্দৰ চৌহদত সংঘটিত এক আকস্মিক ভয়ংকৰ বিস্ফোৰণত মৃত্যু ঘটে ৩ জন চীনা নাগৰিকৰ। ৰাষ্ট্ৰখনৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি এই বিস্ফোৰণত আঘাতপ্ৰাপ্ত হৈ আন বহুকেইজন লোক সংকটজনক অৱস্থাত হাস্পতালত চিকিৎসাধীন হ'বলগীয়া হয়। বিস্ফোৰণত নিহতৰ সংখ্যা বৃদ্ধি পোৱাৰো আশংকা কৰা হৈছে। ইফালে, ঘটনাৰ পিছতে কৰাচী বিমানবন্দৰত জাৰি কৰা হয় 'হাই এলাৰ্ট'। বিমানবন্দৰত সাধাৰণ মানুহৰ চলাচলতো কৰ্তৃপক্ষই বাধা-নিষেধ আৰোপ কৰে। অন্যহাতে এই বিস্ফোৰণৰ কেইবাটাও ভিডিঅ' ছটিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছে। কেইবাটাও ভিডিঅ'ত বিস্ফোৰণৰ তীব্ৰতা প্ৰত্যক্ষ হৈছে। ঘটনাৰ পিছতে আৰক্ষীয়ে অঞ্চলটো ঘেৰাও কৰে। পাকিস্তানৰ বিভিন্ন গৈছিল। বিস্ফোৰণ কাণ্ডৰ পিছত এক সাক্ষাৎকাৰত ভাৰপ্ৰাপ্ত গৃহমন্ত্ৰী জিয়া উল হাছানে কয় যে আই ই ডি বিস্ফোৰক ব্যৱহাৰ কৰা হৈছিল। এই বিস্ফোৰণৰ আঁৰত বেলুচ লিবাৰেচন আৰ্মী থকা বুলিও দাবী কৰে গৃহমন্ত্ৰীগৰাকীয়ে। লক্ষণীয় যে, পাকিস্তানৰ প'ৰ্ট কাছিমত চীনৰ পুঁজিৰে নিৰ্মাণ কাৰ্য চলি থকা বিদ্যুৎ প্ৰকল্পৰ পৰিদৰ্শনৰ বাবে দেওবাৰে কৰাচী বিমান বন্দৰত অৱতৰণ কৰিছিল কেইবাগৰাকীও চীনা অভিযন্তা। দাবী অনুসৰি, এই চীনা অভিযন্তা কেইগৰাকীক লক্ষ্য কৰিয়েই বিস্ফোৰণ কাণ্ড সংঘটিত কৰে বেলুচ লিবাৰেচন আৰ্মী নামৰ সন্ত্ৰাসবাদী সংগঠনটোৱে। ইফালে এই ঘটনাৰ বাবে চীনে পাকিস্তানক দোষাৰোপ কৰিছে। এই ঘটনাক তীব্ৰ গৰিহণা দিছে চীনা দূতাবাসে। ইয়াৰ উপৰিও আক্ৰমণৰ সম্পূৰ্ণ তদন্তৰ দাবী জনোৱাৰ লগতে বিদ্যুৎ প্ৰকল্পৰ সৈতে জড়িত চীনা নাগৰিকসকলৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ দাবী জনাইছে চীনা দূতাবাসে।



বিস্ফোৰণৰ পিছত কৰাচীত দাউদাউকৈ এনেদৰে জ্বলি উঠে কেবাখনো বাহন, দেওবাৰে

# কাকপথাৰ উন্নয়ন খণ্ডৰ কাৰ্যালয় স্থানান্তৰক লৈ প্ৰতিবাদ

**ই-সংবাদ, ডুমডুমা, ৭ অক্টোবৰঃ** তাহানিৰ অবিভক্ত ডিব্ৰুগড় জিলা হৈ থাকোতেই ১৯৬৪ চনত স্থাপিত হোৱা কাকপথাৰ উন্নয়ন খণ্ডৰ কাৰ্যালয়টো শাসনাধিষ্ঠিত বিজেপি চৰকাৰে স্থানান্তৰ কৰিবলৈ লোৱাৰ প্ৰতিবাদত আজি বৃহত্তৰ কাকপথাৰ অঞ্চলৰ জাতীয়-জনগোষ্ঠীয় সংগঠনৰ ঐক্যমঞ্চই কাকপথাৰ উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰাৰ লগতে প্ৰায় এক ঘণ্টা সময় ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰে। কাকপথাৰ উন্নয়ন খণ্ডৰ কামকাজ পূৰ্বৰ দৰে বাহল ৰাখক, বিজেপি চৰকাৰৰ হঠকাৰী সিদ্ধান্ত প্ৰত্যাহাৰ কৰক, অসম চৰকাৰ হুচিয়াৰ, চৰকাৰৰ সিদ্ধান্ত মানি লোৱা নহ'ব ইত্যাদি বিভিন্ন প্ৰতিবাদী শ্লোগানেৰে কাকপথাৰৰ পৰিৱেশ উত্তাল কৰি তোলে প্ৰতিবাদকাৰীসকলে। পথ অৱৰোধস্থলীত অনুষ্ঠিত কৰা এখন প্ৰতিবাদী সভাত উপস্থিত থাকি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি সোণমনি চলিহা, তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সহ: সম্পাদক বিতু ডেকা, বীৰ লাচিত সেনা, অসমৰ নেতা বিকাশ অসম আদিয়ে চৰকাৰৰ ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত কাম-কাজক তীব্ৰ সমালোচনা কৰি ৰাইজৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিবলৈ চৰকাৰক দাবী জনায়। প্ৰতিবাদী সভা চলি থকা অৱস্থাতে ডুমডুমা ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ সংলগ্ন ৰাজহ চক্ৰ বিষয়াগৰাকী প্ৰতিবাদস্থলীত উপস্থিত হোৱাত বিষয়া গৰাকীৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰাৰ সমান্তৰালভাৱে অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী, তিনিচুকীয়া জিলাৰ অভিভাৱক মন্ত্ৰীৰ লগতে জিলা আয়ুক্তলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

# শেষ পৃষ্ঠা

## ৰঙিয়াত অগ্নিকাণ্ড জাহ গ'ল ৩খনকৈ দোকান

**ই-সংবাদ, ৰঙিয়া, ৭ অক্টোবৰঃ** ৰঙিয়া নগৰৰ সাপ্তাহিক বজাৰৰ সংলগ্ন তিনিখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠানত যোৱা নিশা সংঘটিত অগ্নিকাণ্ডৰ ঘটনাত পাচ লক্ষাধিক মূল্যৰ সামগ্ৰী ক্ষতিগ্ৰস্ত হয়। শচীন সিং আৰু বিশাল সিং নামৰ ব্যৱসায়ী দুগৰাকীৰ প্ৰতিষ্ঠানত সংঘটিত হয় উক্ত ঘটনা। বিভিন্ন ব্ৰেণ্ডৰ কল্ড ড্ৰিংকছ তথা অন্যান্য সামগ্ৰী জুইত জাহ যায়। পুৱতি নিশা প্ৰতিবেশীয়ে ঘটনাৰ সম্ভেদ লাভ কৰি ব্যৱসায়িক প্ৰতিষ্ঠানৰ গৰাকীক খবৰ দিয়ে। ঘটনা সন্দৰ্ভত নিশাৰ ভাগত চোৰে চুৰিকাণ্ড সংঘটিত কৰিবলৈ আহি অগ্নি সংযোগ কৰা বুলি ধাৰণা কৰিছে গৰাকীয়ে। নৱৰাত্ৰিৰ পূজাৰ মাজতে সংঘটিত অগ্নিকাণ্ডৰ ঘটনাই ব্যথিত কৰিছে পৰিয়ালৰ লোকক।

## চৰাইবাহীৰ যতীনৰ স্বৰ্ণ জয়



**ই-সংবাদ, মৰিগাঁও, ৭ অক্টোবৰঃ** ৰাষ্ট্ৰীয় পৰ্যায়ৰ ১৯ বছৰৰ অনূৰ্দ্ধৰ ল'ৰা শাখাৰ যোগাসন প্ৰতিযোগিতাত প্ৰথম স্থান দখল কৰি সোণৰ পদকেৰে উজলিবলৈ সক্ষম হয় মৰিগাঁও জিলাৰ চৰাইবাহী শংকৰদেৱ বিদ্যা নিকেতনৰ ছাত্ৰ যতিন নাথ। উত্তৰ প্ৰদেশৰ গাজিয়াবাদৰ নেহেৰু নগৰৰ দূৰ্গাৱতী হেমৰাজ চাহ সৰস্বতী বিদ্যা মন্দিৰত যোৱা ২ অক্টোবৰৰ পৰা ৬ অক্টোবৰলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা বিদ্যা ভাৰতীয়ৰ ৰাষ্ট্ৰীয় যোগাসন প্ৰতিযোগিতাত চৰাইবাহী শংকৰদেৱ বিদ্যা নিকেতনৰ নৱম শ্ৰেণীৰ ছাত্ৰ তথা বৃহত্তৰ চৰাইবাহী অঞ্চলৰ পূব বৰভগীয়া গাঁৱৰ দুলাল নাথ আৰু মনিকা দেৱীৰ পুত্ৰ যতীন নাথে অসমৰ হৈ প্ৰতিনিধিত্ব কৰি যোগাসন প্ৰতিযোগিতাত প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে বিদ্যা ভাৰতীৰ শিশু শিক্ষা সমিতি অসমৰ পূৰ্বোত্তৰক্ষেত্ৰৰ পৰা অসমৰ হৈ ১৭ গৰাকী ছাত্ৰ আৰু ১৫ গৰাকী ছাত্ৰী মুঠ ৩২ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল যদিও যতীনে প্ৰথম স্থান লাভ কৰি অসম তথা মৰিগাঁও জিলালৈ গৌৰৱ কঢ়িয়াই আনে।




এনেদৰে এদিনৰ বাবে ফুড ডেলিভাৰী কৰি অভিজ্ঞতা ল'লে জ'মাট'ৰ চিইঅ' দীপিন্দৰ গোৱেলে

## জ'মাট'ৰ চিইঅ'ই পত্নীসহ হ'ল ডেলিভাৰী বয়

**গুৰুগ্ৰাম, ৭ অক্টোবৰঃ** এ চি ৰুমৰ আৰামদায়ক চকী এৰি এদিনৰ বাবে ডেলিভাৰী বয় হৈ পৰিল অনলাইন ফুড চাৰ্ভিছ কোম্পানী জ'মাট'ৰ মুখ্য কাৰ্যবাহী বিষয়া দীপিন্দৰ গোৱেল। পত্নী গ্ৰেচিয়া মুনোজৰ সৈতে ফুড অৰ্ডাৰ সংগ্ৰহ কৰি দুৱাৰে দুৱাৰে ডেলিভাৰী কৰিলে চি ই অ' গোৱেলে। সামাজিক মাধ্যমত ইতিমধ্যে ভাইৰেল হৈ পৰিছে তেওঁৰ এনে ব্যতিক্ৰমী ৰূপ। অৱশ্যে ফুড ডেলিভাৰীৰ সেই দিনটোৰ অভিজ্ঞতা তেওঁৰ বাবে সম্পূৰ্ণ মধুৰ নাছিল। ছ'চিয়েল মিডিয়াত এই অভিজ্ঞতাৰ বিষয়ে নিজেই শ্বেয়াৰ কৰিছে জ'মাট'ৰ চি ই অ' গৰাকীয়ে। তেওঁ উল্লেখ কৰা মতে, ডেলিভাৰী বয়ৰ ইউনিফৰ্ম পিন্ধি গুৰুগ্ৰামৰ এটা বিশেষ মলৰ পৰা তেওঁ অৰ্ডাৰ সংগ্ৰহ কৰিবলৈ যোৱাৰ সময়ত মলৰ মূল প্ৰৱেশদ্বাৰ বা লিফ্‌টত প্ৰৱেশ কৰিবলৈ তেওঁক দিয়া হোৱা নাছিল। যাৰ বাবে তেওঁ অন্য এখন প্ৰৱেশদ্বাৰেৰে প্ৰৱেশ কৰি আৰু চিৰি বগাই সংগ্ৰহ কৰিবলগীয়া হৈছিল ফুড অৰ্ডাৰটো। এক্সত তেওঁৰ এই তিক্ত অভিজ্ঞতাৰ কথা শ্বেয়াৰ কৰি দীপিন্দৰ গোৱেলে লিখিছে, "মোৰ দ্বিতীয় অৰ্ডাৰৰ সময়ত মই উপলব্ধি কৰিছিলো যে আমি সকলো ডেলিভাৰী অংশীদাৰৰ কাম কৰাৰ পৰিস্থিতি উন্নত কৰিবলৈ মলসমূহৰ সৈতে অধিক ঘনিষ্ঠভাৱে কাম কৰাটো প্ৰয়োজন। আৰু মলসমূহেও ডেলিভাৰী পাৰ্টনাৰৰ প্ৰতি অধিক মানৱীয়তা প্ৰদৰ্শন কৰা উচিত। আপোনাৰ মতামত কি?" নিজৰ প্ৰকৃত পৰিচয়ৰ পৰা আঁতৰি এজন ডেলিভাৰী বয় হিচাপে আন আন ডেলিভাৰী পাৰ্টনাৰৰ সৈতে দিনটোত কিছু মধুৰ সময় পাৰ কৰাৰ লগতে তেওঁলোকৰ পৰা মতামত লাভ কৰা বুলিও মন্তব্য কৰে দীপিন্দৰ গোৱেলে। ছ'চিয়েল মিডিয়াত তেওঁৰ এই ভিডিঅ' ইতিমধ্যে ভাইৰেল হৈ পৰিছে। এগৰাকী চি ই অ'ই খোদ ডেলিভাৰী বয়ৰ কাম কৰি সাধাৰণ ডেলিভাৰী পাৰ্টনাৰসকলৰ সুখ-দুখৰ বুজ লোৱাৰ বাবে অনেক নেটিজেনে তেওঁক ধন্যবাদো জ্ঞাপন কৰিছে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com,
যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ
বিজি গগৈ (অবৈতনিক)